32T EDUC

# 2022

# EDUCATION

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

*The figures in the margin indicate full marks for the questions.*

| | |
|---|---|
| *Q. No. 1 carries 1 mark each* | 1×12 = 12 |
| *Q. Nos. 2 – 13 carry 2 marks each* | 2×12 = 24 |
| *Q. Nos. 14 – 23 carry 4 marks each* | 4×10 = 40 |
| *Q. Nos. 24 – 27 carry 6 marks each* | 6×4 = 24 |
| | Total =100 |

1. Answer the following questions : 1×12=12

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ

- *Fill in the blanks :*

  *খালী ঠাই পূৰ কৰা ঃ*

*(a)* Gauhati University was established in ________ .

গুৱাহাটী বিশ্ববিদ্যালয় ________ চনত স্থাপন কৰা হৈছিল।

*(b)* In the year ________ , the Correspondence Education System was started in India.

ভাৰতবৰ্ষত ডাকযোগে শিক্ষা ব্যৱস্থা ________ চনত আৰম্ভ হয়।

*(c)* The World Environment Day is observed on ________ .

বিশ্ব পৰিৱেশ দিৱস ________ তাৰিখে উদ্‌যাপন কৰা হয়।

*(d)* Edward Lee Thorndike's Trial and Error method of learning is also known as Theory of ________ .

এডৱাৰ্ড লী থৰ্নডাইকে প্ৰৱৰ্ত্তন কৰা প্ৰচেষ্টা আৰু ভুল শিক্ষণ পদ্ধতিক শিক্ষণৰ ________ তত্ত্ব বুলিও কোৱা হয়।

*(e)* In a multiple choice question, a student can identify the correct answer with the help of ________ process.

বহু বিকল্প বাছনি প্ৰশ্নত, এগৰাকী শিক্ষাৰ্থীয়ে ________ পদ্ধতি প্ৰয়োগ কৰি শুদ্ধ উত্তৰটো বাচি উলিয়াব পাৰে।

*(f)* All scores are taken into consideration in finding out ________ as measure of Central Tendency.

কেন্দ্ৰিয় প্ৰৱণতাৰ জোখ হিচাপে ________ নিৰ্ণয় কৰোতে সকলো ৰাশি বিচাৰ কৰা হয়।

- *Give short answers in one sentence :*

  *এটা বাক্যত উত্তৰ দিয়া ঃ*

*(g)* What is Distance Education ?

দূৰ শিক্ষা কি?

*(h)* "Learning is the acquisition of new behaviour or the strengthening and weakening of old behaviour as a result of experience." Who said this statement ?

"অভিজ্ঞতাৰ ফলত নতুন আচৰণৰ শক্তি বৃদ্ধি বা পুৰণি আচৰণৰ শক্তি হ্ৰাস কৰা প্ৰক্ৰিয়াকে শিক্ষণ আখ্যা দিব পাৰি।" এই উক্তিযাৰ কোনে কৈছিল?

(i) Who was the propounder of Classical Conditioning Theory of learning ?

শিক্ষণৰ মৌলিক অনুবন্ধনবাদ তত্বৰ স্ৰষ্টা কোন আছিল?

(j) "Memory is the ideal revival....... in which the object of past experiences are reinstated as far as possible in the order and manner of their original occurrence." Who said this ?

"স্মৃতি হৈছে এক নিখুঁত পুনৰ উদ্দীপন কাৰ্য ....... য'ত অতীত অভিজ্ঞতাৰ বিষয়বস্তুসমূহ যিমান দূৰ সম্ভৱ পূৰ্বৰ বিন্যাস আৰু ধৰণ অনুযায়ী পুনৰ প্ৰতিষ্ঠা কৰা হয়।" এই উক্তিটো কাৰ?

(k) What is volitional or voluntary attention ?

ঐচ্ছিক বা ইচ্ছাকৃত মনোযোগ কাক বোলে?

(l) Write the formula for finding out Median from group data.

সমূহিত ৰাশিৰ পৰা মধ্যমা নিৰ্ণয় কৰা সূত্ৰটো লিখা।

2. Write *two* aims of Secondary Education recommended by Mudaliar Commission. 2

মাধ্যমিক শিক্ষাৰ লক্ষ্য সম্পৰ্কে মুডালিয়াৰ আয়োগে আগবঢ়োৱা *দুটা* পৰামৰ্শ উল্লেখ কৰা।

3. Write *two* suggestions of Kothari Commission regarding education and productivity. 2

শিক্ষা আৰু উৎপাদনমুখিতা সম্পৰ্কে কোঠাৰী আয়োগে আগবঢ়োৱা *দুটা* পৰামৰ্শ উল্লেখ কৰা।

4. Write *two* objectives of Non-formal Education. 2

অগতানুগতিক শিক্ষাৰ *দুটা* উদ্দেশ্য উল্লেখ কৰা।

5. Write *two* significant aspects of Distance Education. 2

দূৰ শিক্ষাৰ *দুটা* তাৎপৰ্যপূৰ্ণ দিশ উল্লেখ কৰা।

6. Write *two* principles of Environmental Education. 2

পৰিৱেশ শিক্ষাৰ *দুটা* নীতি উল্লেখ কৰা।

7. What do you mean by Value Education ? 2

মূল্যবোধৰ শিক্ষা বুলিলে কি বুজা?

8. Mention *two* differences between maturation and learning. 2

পৰিপক্কতা আৰু শিক্ষণৰ মাজত থকা *দুটা* পাৰ্থক্য উল্লেখ কৰা।

9. Write *two* mental causes of forgetting. 2
বিস্মৃতিৰ *দুটা* মানসিক কাৰণ উল্লেখ কৰা।

10. Mention *two* sources or factors that influence the interest of an individual. 2
এজন ব্যক্তিৰ আগ্ৰহক প্ৰভাৱিত কৰিব পৰা *দুটা* উৎস বা উপাদান উল্লেখ কৰা।

11. Mention *two* social qualities of a mentally healthy person. 2
মানসিক ভাৱে স্বাস্থ্যৱান লোক এজনৰ থাকিবলগিয়া *দুটা* সামাজিক গুণ উল্লেখ কৰা।

12. Mention *any two* steps you have to follow for classifying scores into a frequency distribution table. 2
বাৰংবাৰতা বিভাজন তালিকা শ্ৰেণীকৰণ বা প্ৰস্তুত কৰোতে তুমি মানি চলিব লগা *যিকোনো দুটা* স্তৰ উল্লেখ কৰা।

13. Find Mean and Median from the following data : 1+1=2
তলত দিয়া তথ্যৰাশিৰ পৰা গড় আৰু মধ্যমা নিৰ্ণয় কৰা ঃ
48, 45, 92, 56, 68, 85, 72, 74, 64, 90.

14. Discuss *four* major problems of Secondary Education in Assam. 4
অসমৰ মাধ্যমিক শিক্ষাৰ *চাৰিটা* মূল সমস্যা আলোচনা কৰা।

15. Discuss *four* merits of Open Education System. 4
মুক্ত শিক্ষা ব্যৱস্থাৰ *চাৰিটা* সুবিধা আলোচনা কৰা।

16. "Physical Education does neither train up the soul nor body, but the whole man." Discuss the statement. 4
"শাৰীৰিক শিক্ষাই কেৱল আত্মা বা শৰীৰকেই গঢ় নিদিয়ে, বৰঞ্চ সম্পূৰ্ণ ব্যক্তিজনকেই গঢ় দিয়ে।" বাক্যশাৰী ব্যাখ্যা কৰা।

17. Discuss the educational significance of learning by insight. 4
অন্তদৰ্শন শিক্ষণৰ শৈক্ষিক তাৎপৰ্য সম্পৰ্কে আলোচনা কৰা।

*Or / অথবা*

Discuss *four* characteristics of conditioning learning. 4
অনুবন্ধন শিক্ষণৰ *চাৰিটা* বৈশিষ্ট্য আলোচনা কৰা।

18. Discuss how do a teacher can develop attention and interest of students in classroom situation. 4
এজন শিক্ষকে শ্ৰেণীকোঠাত শিক্ষাৰ্থীসকলৰ মনোযোগ আৰু আগ্ৰহ বিকাশ কৰাত কেনেকৈ সহায় কৰিব পাৰে আলোচনা কৰা।

9. Write *two* mental causes of forgetting. 2

বিস্মৃতিৰ *দুটা* মানসিক কাৰণ উল্লেখ কৰা।

10. Mention *two* sources or factors that influence the interest of an individual. 2

এজন ব্যক্তিৰ আগ্ৰহক প্ৰভাৱিত কৰিব পৰা *দুটা* উৎস বা উপাদান উল্লেখ কৰা।

11. Mention *two* social qualities of a mentally healthy person. 2

মানসিক ভাৱে স্বাস্থ্যৱান লোক এজনৰ থাকিবলগিয়া *দুটা* সামাজিক গুণ উল্লেখ কৰা।

12. Mention *any two* steps you have to follow for classifying scores into a frequency distribution table. 2

বাৰংবাৰতা বিভাজন তালিকা শ্ৰেণীকৰণ বা প্ৰস্তুত কৰোতে তুমি মানি চলিব লগা *যিকোনো দুটা* স্তৰ উল্লেখ কৰা।

13. Find Mean and Median from the following data : 1+1=2

তলত দিয়া তথ্যৰাশিৰ পৰা গড় আৰু মধ্যমা নিৰ্ণয় কৰা ঃ

48, 45, 92, 56, 68, 85, 72, 74, 64, 90.

14. Discuss *four* major problems of Secondary Education in Assam. 4

অসমৰ মাধ্যমিক শিক্ষাৰ *চাৰিটা* মূল সমস্যা আলোচনা কৰা।

15. Discuss *four* merits of Open Education System. 4

মুক্ত শিক্ষা ব্যৱস্থাৰ *চাৰিটা* সুবিধা আলোচনা কৰা।

16. "Physical Education does neither train up the soul nor body, but the whole man." Discuss the statement. 4

"শাৰীৰিক শিক্ষাই কেৱল আত্মা বা শৰীৰকেই গঢ় নিদিয়ে, বৰঞ্চ সম্পূৰ্ণ ব্যক্তিজনকেই গঢ় দিয়ে।" বাক্যশাৰী ব্যাখ্যা কৰা।

17. Discuss the educational significance of learning by insight. 4

অন্তদৰ্শন শিক্ষণৰ শৈক্ষিক তাৎপৰ্য সম্পৰ্কে আলোচনা কৰা।

*Or / অথবা*

Discuss *four* characteristics of conditioning learning. 4

অনুবন্ধন শিক্ষণৰ *চাৰিটা* বৈশিষ্ট্য আলোচনা কৰা।

18. Discuss how do a teacher can develop attention and interest of students in classroom situation. 4

এজন শিক্ষকে শ্ৰেণীকোঠাত শিক্ষাৰ্থীসকলৰ মনোযোগ আৰু আগ্ৰহ বিকাশ কৰাত কেনেকৈ সহায় কৰিব পাৰে আলোচনা কৰা।

19. Write which types of memory operate in the following situations : 1+1+1+1=4

তলৰ পৰিস্থিতি সমূহত কি কি প্ৰকাৰৰ স্মৃতি ক্ৰিয়াশীল লিখা ঃ

(a) Answering essay-type questions.
ৰচনাত্মক প্ৰশ্নসমূহৰ উত্তৰ কৰোতে।

(b) Driving a car.
গাড়ী চলাওতে।

(c) Solving mathematical problems.
গণিতৰ কোনো সমস্যা সমাধান কৰোতে।

(d) An adult person can recall some incidents happened in his early life.
এজন প্ৰাপ্তবয়স্ক ব্যক্তিয়ে তেওঁৰ অতীত জীৱনত হোৱা কোনো ঘটনাৰ পুনৰ স্মৰণ কৰা কাৰ্য।

20. Discuss the purposes of Mental Hygiene. 4
মানসিক স্বাস্থ্যবিজ্ঞানৰ উদ্দেশ্যাৱলী আলোচনা কৰা।

*Or / অথবা*

Discuss the functions of Mental Hygiene. 4
মানসিক স্বাস্থ্যবিজ্ঞানৰ কাৰ্য সমূহ আলোচনা কৰা।

21. Discuss the role of family in promoting proper mental health of children. 4

শিশুৰ উপযুক্ত মানসিক স্বাস্থ্যৰ বিকাশত পৰিয়ালৰ ভূমিকা আলোচনা কৰা।

22. What do you mean by measure of central tendency ? Mention *three* advantages of Median as a measure of central tendency. 1+3=4
কেন্দ্ৰিয় প্ৰৱণতাৰ মাপ বুলিলে কি বুজা? কেন্দ্ৰিয় প্ৰৱণতাৰ মাপ হিচাপে মধ্যমাৰ *তিনিটা* সুবিধা উল্লেখ কৰা।

*Or / অথবা*

What do you mean by measure of variability or dispersion ? Write *three* advantages of the measure of quartile deviation. 1+3=4
ভেদ্যতা বা বিচ্যুতিৰ জোখ বুলিলে কি বুজা? চতুৰ্থক বিচ্যুতি পৰিমাপণৰ *তিনিটা* সুবিধা লিখা।

23. What is Frequency Polygon ? Draw a Frequency Polygon from the following distribution table : (Use graph paper) 1+3=4

*Contd.*

বাৰংবাৰতা বহুভুজ কাক বোলে? তলত দিয়া তালিকাৰ তথ্যসমূহৰ পৰা বাৰংবাৰতা বহুভুজ অংকন কৰা ঃ (লেখ কাগজ ব্যৱহাৰ কৰিবা)

| Class Interval (শ্ৰেণী অন্তৰাল) | Frequency (বাৰংবাৰতা) |
|---|---|
| 60-64 | 2 |
| 55-59 | 3 |
| 50-54 | 6 |
| 45-49 | 8 |
| 40-44 | 12 |
| 35-39 | 8 |
| 30-34 | 6 |
| 25-29 | 3 |
| 20-24 | 2 |
| | $N$=50 |

*Or* / *অথবা*

What is Pie Diagram? Represent the following data of students' enrolment in a Primary school by a pie diagram. 1+3=4

বৃত্ত চিত্ৰ কাক বোলে? এখন প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্ত্তিৰ তথ্যসমূহ বৃত্ত চিত্ৰৰ সহায়ত উপস্থাপন কৰা।

| Class (শ্ৰেণী) | No. of Students (ছাত্ৰ-ছাত্ৰীৰ সংখ্যা) |
|---|---|
| I | 50 |
| II | 40 |
| III | 35 |
| IV | 35 |
| V | 40 |
| | Total = 200 |

24. Discuss the power and functions of "Board of Secondary Education, Assam" as given by the 'Secondary Education Act of Assam, 1961'. 6

'মাধ্যমিক শিক্ষা আইন, অসম, ১৯৬১'ৰ দ্বাৰা প্ৰদান কৰা "অসম মাধ্যমিক শিক্ষা বোৰ্ড"ৰ ক্ষমতা আৰু কাৰ্য্যসমূহ আলোচনা কৰা।

*Or* / *অথবা*

Discuss the suggestions forwarded by 'National Education Policy, 1986' regarding Secondary Education. 6

মাধ্যমিক শিক্ষা সম্পৰ্কে ১৯৮৬ চনৰ 'জাতীয় শিক্ষা নীতি'ত উল্লেখ কৰা পৰামৰ্শ সমূহ আলোচনা কৰা।

25. What is Population Education? How can the Population Education be imparted in educational institution? 2+4=6

জনসংখ্যা শিক্ষা কাক বোলে? শিক্ষানুষ্ঠানত জনসংখ্যা শিক্ষা কেনেধৰণে প্ৰদান কৰিব পাৰি আলোচনা কৰা।

*Or / অথবা*

What do you mean by women empowerment? Discuss the role of education in women empowerment. 2+4=6

মহিলা সাৱলীকৰণ বুলিলে কি বুজা? মহিলা সাৱলীকৰণত শিক্ষাৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

26. What do you mean by learning? Discuss the important subjective factors of learning. 2+4=6

শিক্ষণ বুলিলে কি বুজা? শিক্ষণৰ গুৰুত্বপূৰ্ণ ব্যক্তিনিষ্ঠ বা আভ্যন্তৰীণ চৰ্তসমূহ আলোচনা কৰা।

*Or / অথবা*

What is Trial and Error method of learning? Discuss the major laws of learning propounded by Edward Lee Thorndike. 2+4=6

শিক্ষণৰ প্ৰচেষ্টা আৰু ভুল শিক্ষণ পদ্ধতি কি? এডৱাৰ্ড লী থৰ্নডাইকে প্ৰৱৰ্ত্তন কৰা শিক্ষণৰ প্ৰধান নীতিসমূহ আলোচনা কৰা।

27. What is Mean? Compute Mean from the following distribution table by Assumed Mean method : 1+5=6

গড় কাক বোলে? অনুমিত গড় পদ্ধতিৰ সহায়ত তলত দিয়া বাৰংবাৰতা বিভাজন তালিকাৰ পৰা গড় নিৰ্ণয় কৰা ঃ

| Class Interval (শ্ৰেণী অন্তৰাল) | Frequency (বাৰংবাৰতা) |
|---|---|
| 80-84 | 3 |
| 75-79 | 4 |
| 70-74 | 7 |
| 65-69 | 8 |
| 60-64 | 12 |
| 55-59 | 7 |
| 50-54 | 4 |
| 45-49 | 3 |
| 40-44 | 2 |
| | $N = 50$ |

———×———